হয়।

7. সপ্তমতে, ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত পৰিকল্পনাৰ যোগেদি দেশৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰা অতিশয় দৰকাৰ। কথা হ'ল পৰিকল্পনাৰ যোগেদি অৰ্থনৈতিক কাম-কাজসমূহ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰিবলৈ হ'লে বাণিজ্যিক সংৰক্ষণ নীতিৰ ভূমিকা বা নীতি মানি চলিবই লাগিব।

8. ৰাজনৈতিক আৰু প্ৰতিৰক্ষা এই দুয়োটা দিশৰ পৰা সংৰক্ষণ ব্যৱস্থা অতি গুৰুত্বপূৰ্ণ। কিয়নো প্ৰতিখন দেশেই নিজ দেশৰ প্ৰতিৰক্ষাৰ দিশত আত্মনিৰ্ভৰশীল হোৱা বাঞ্ছনীয়। এই ব্যৱস্থা ফলপ্ৰসু হ'বলৈ হ'লে দেশৰ শুল্ক ব্যৱস্থা সন্তোষজনক হ'ব লাগে।

অৱশ্যে উন্নয়নশীল দেশসমূহে আন্তৰ্জাতিক বাণিজ্য নীতি পৰিহাৰ কৰিব নোৱাৰে। বিশেষকৈ উদ্যোগীকৰণৰ দিশত নিজ দেশক আগুৱাই নিবৰ বাবে অত্যাধুনিক সা-সৰঞ্জাম, যন্ত্ৰপাতি, কাৰিকৰী কৌশল আদি বিদেশৰ পৰা আমদানি কৰিবলৈ উন্নয়নশীল অৰ্থনীতিসমূহ বাধ্য।

**3.8 বাণিজ্যিক নিয়ন্ত্ৰণৰ প্ৰকাৰ** (Types of Trade Restriction) ঃ আন্তৰ্জাতিক বজাৰত বৈদেশিক বাণিজ্যৰ ওপৰত দুই ধৰণৰ নিয়ন্ত্ৰণ আৰোপ কৰিব পৰা যায়। সেইয়া হ'ল— (১) স্বাভাৱিক প্ৰতিবন্ধকতা (২) মানৱীয় প্ৰতিবন্ধকতা দুখন দেশৰ মাজত সামগ্ৰী এবিধ উৎপাদনৰ উৎপাদন ব্যয় পৃথক-পৃথক হয়। পুনৰ দেশ দুখনৰ মাজত দূৰত্ব যিমানে বেছি হয় সামগ্ৰী বিনিময় সিমানে কষ্টসাধ্য আৰু ব্যয়বহুল হয়। কিয়নো উৎপাদন ব্যয়ৰ লগতে পৰিবহন ব্যয় যোগ হৈ সামগ্ৰী বিধৰ দামৰ পাৰ্থক্য ঘটায়। এনে অৱস্থাতে আন্তৰ্জাতিক বাণিজ্যত যথেষ্ট প্ৰতিবন্ধকতাৰ সন্মুখীন হ'ব লগাত পৰে। এনেবিলাক প্ৰতিবন্ধকতাক স্বাভাৱিক প্ৰতিবন্ধকতা (Natural Obstracle) বোলা হয়। পুনৰ যেতিয়া এখন দেশে আমদানি আৰু ৰপ্তানিৰ ওপৰত শুল্ক নিৰ্দ্ধাৰণ কৰে নাইবা আমদানিৰ পৰিমাণ নিৰ্ধাৰণ, ৰপ্তানিৰ পৰিমাণ নিৰ্ধাৰণ কৰে; অথবা অন্য কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰি বাণিজ্যিক নিয়ন্ত্ৰণ কৰিবলৈ যত্নপৰ হয় তেতিয়া তেনে ব্যৱস্থাক মানৱীয় প্ৰতিবন্ধকতা (Human Obstracle) আখ্যা দিয়া হয়।

**3.9 বাণিজ্যিক নিয়ন্ত্ৰণৰ মূখ্য উদ্দেশ্য** (Objectives of Trade

Restriction)ঃ অৰ্থনীতিবিদ আলেকজেণ্ডাৰ হেমিলটন (Alexander Hamilton) এ তেখেতৰ গ্ৰন্থ "Report on Manufactures–1791" ৰ জৰিয়তে মত পোষণ কৰিছিল যে মাথোন ঔদ্যোগিক উন্নয়নৰ মাধ্যমতহে কোনো এখন অৰ্থনীতিয়ে মানৱ সম্পদকে মূখ্য কৰি সকলো ধৰণৰ সম্পদৰ পূৰ্ণবিকাশ আৰু নিযুক্তি সম্ভৱপৰ কৰি তুলিব পাৰে। তেখেতৰমতে দেশ এখনে উন্নয়নৰ গতি আগুৱাই নিব খুজিলে মাথোন কৃষিখণ্ডতে অৰ্থনৈতিক কাম-কাজসমূহ সীমিত নকৰি উদ্যোগিক খণ্ডৰো উন্নয়ন সাধন কৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৰ্থনীতিবিদ ফ্ৰেডৰিক লিষ্টে (Friedrich List) ও ঠিক একে ধৰণৰ মত পোষাণ কৰি কয় যে ভাৰসাম্য অৰ্থনৈতিক উন্নয়নৰ বাবে কৃষিখণ্ডৰ উন্নয়নৰ লগতে উদ্যোগিক খণ্ডৰ উন্নয়ন অতি গুৰুত্বপূৰ্ণ। অৱশ্যে উদ্যোগীক খণ্ডৰ উন্নয়ন সাধন কৰিবলৈ হ'লে প্ৰয়োজনীয় সংৰক্ষণাবেক্ষণৰ প্ৰয়োজন হয়। যাতে উন্নত দেশৰ ইতিমধ্যে প্ৰতিষ্ঠিত ৰূপত আত্মপ্ৰকাশ কৰি আন্তৰ্জাতিক পৰ্য্যায়ৰ প্ৰতিযোগিতাত অংশ লোৱা ক্ষমতাৱান উদ্যোগসমূহৰ লগত প্ৰতিযোগিতাত ফেৰ মাৰিব লগা নহয়। এতেকে আমি ক'ব পাৰো যে অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষীপ্ৰ কৰিবৰ বাবে উন্নয়নশীল দেশত সংৰক্ষণ বাণিজ্যৰ প্ৰয়োজন আছে।

(২) দ্বিতীয়তে, "ৰপ্তানি বৃদ্ধি সদায়েই মংগলজনক"। এই ধাৰণাটো সম্পূৰ্ণ শুদ্ধ নহয়। কেতিয়াবা-কেতিয়াবা ৰপ্তানি খণ্ডৰ ক্ষেত্ৰটো বাণিজ্যিক নিয়ন্ত্ৰণৰ প্ৰয়োজন হয়। যিবিলাক দ্ৰব্য-সামগ্ৰী দেশৰ জনসাধাৰণৰ দৈনন্দিন জীৱন-যাপনৰ কাৰণে অতি প্ৰয়োজনীয়, তেনে দ্ৰব্য সামগ্ৰী ঘৰুৱা উৎপাদন যদি ঘৰুৱা ব্যৱহাৰৰ বাবেই যথেষ্ট নহয় তেনেহ'লে তেনে সামগ্ৰীৰ ৰপ্তানিয়ে দেশৰ জনসাধাৰণৰ উপভোগৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি চাহিদাৰ তুলনাত যোগানৰ নাটনি কৰিব আৰু অযথা দাম বৃদ্ধি ঘটাব। যিটো দেশৰ বাবে কেতিয়াও মংগলজনক নহয়। সেয়েহে এনে সামগ্ৰীৰ ৰপ্তানিত হয় নিয়ন্ত্ৰণ নহয় নিষিদ্ধকৰণ ব্যৱস্থা গ্ৰহণ কৰা নিতান্ত প্ৰয়োজন।

(৩) তৃতীয়তে, অনুন্নত আৰু উন্নয়নশীল অৰ্থনীতিসমূহে সাধাৰণতে প্ৰাথমিক দ্ৰব্যসমূহ উৎপাদনৰ সুবিধাহে লাভ কৰে। অন্যহাতেদি উন্নত দেশসমূহে কাৰিকৰী কৌশল প্ৰয়োগ কৰি উন্নত মানদণ্ডৰ উদ্যোগজাত সামগ্ৰী উৎপাদন কৰে। সাধাৰণতে কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ প্ৰতি স্থিতিস্থাপকতা